জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২২০/২০২১

**গোলাঘাট জিলাৰ শেহতীয়া ক'ভিড পৰিস্থিতি, টীকাকৰণ তথা অন্যান্য উন্নয়নমূলক আঁচনি ৰূপায়ণৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে**

# জিলাখনত প্ৰতিদিনে ১০ হাজাৰ টীকাকৰণৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

# গোলাঘাটৰ প্ৰস্তাৱিত চিকিৎসা মহাবিদ্যালয়, বীৰাঙ্গনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় আৰু সংহত জিলা উপায়ুক্ত কাৰ্যালয়ৰ বাবে স্থান তথা ভূমি চিনাক্তকৰণৰ যাৱতীয় পদক্ষেপ ল'বলৈ জিলা উপায়ুক্তক নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৮ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলা প্ৰশাসন তথা অন্যান্য বিভাগৰ সৈতে হোৱা এক বৈঠকত গোলাঘাট জিলাৰ শেহতীয়া ক'ভিড-১৯ পৰিস্থিতি, চিকিৎসা তথা জিলাখনৰ ক'ভিড-১৯ টীকাকৰণৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ লগতে জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন উন্নয়নমূলক আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে।

সতী সাধনী কলাক্ষেত্ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই বৈঠকত জিলাখনত ক'ভিড-১৯ ৰ সংক্ৰমণ ৰোধ কৰাৰ দিশত লোৱা ব্যৱস্থাৱলীৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ঘৰে ঘৰে গৈ টীকাকৰণৰ পদক্ষেপ লৈ জিলাখনত সম্পূৰ্ণ টীকাকৰণ কৰাৰ পদক্ষেপ লোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাক জিলাখনত প্ৰতিদিনে অতি কমেও ১০ হাজাৰ টীকা প্ৰদানৰ লক্ষ্য নিৰ্দ্ধাৰণৰ ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে।

কেন্দ্ৰীয় চৰকাৰৰ ধ্বজাবাহী আঁচনি জলজীৱন মিছনৰ ৰূপায়ণৰ অগ্ৰগতিৰ খতিয়ান লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই জিলা প্ৰশাসনক চাহ বাগিচা এলেকা, অংগনৱাড়ী কেন্দ্ৰ আৰু প্ৰাথমিক বিদ্যালয়সমূহত এই আঁচনি ৰূপায়ণৰ ক্ষিপ্ৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে গ্ৰামাঞ্চলৰ সকলো গৃহ, বিদ্যালয় তথা অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানলৈ নলযোগে পানী যোগানৰ এই আঁচনিখন সময় সাপেক্ষভাৱে ৰূপায়ণৰ যথোচিত পদক্ষেপ ল'বলৈও জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনা বৈঠকতে মুখ্যমন্ত্ৰীয়ে গোলাঘাট জিলাত নিৰ্মাণ কৰি থকা বিভিন্ন পথৰ অগ্ৰগতিৰো পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে দেৰগাঁৱৰ পৰা গোলাঘাটলৈ বৰ্তমানে থকা পথছোৱা চাৰিলেনযুক্ত

পথলৈ উন্নীতকৰণৰ বাবে এটা প্ৰকল্প আৰম্ভ কৰাৰ বাবে লোকনিৰ্মাণ (পথ) বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে 'অসম মালা' আঁচনিৰ অধীনত জিলাখনত ৰূপায়িত হৈ থকা আঁচনিসমূহৰ কাম দ্ৰুততাৰে সম্পূৰ্ণ কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে।

লোকনিৰ্মাণ (গৃহ) বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই দেৰগাঁও আৰু সৰুপথাৰ সমষ্টিত ক্ৰীড়া প্ৰকল্প স্থাপনৰ যাৱতীয় পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে গোলাঘাটৰ প্ৰস্তাৱিত চিকিৎসা মহাবিদ্যালয়, বীৰাঙ্গনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় আৰু সংহত উপায়ুক্ত কাৰ্যালয় নিৰ্মাণৰ বাবে স্থান তথা ভূমি নিৰ্দ্ধাৰণৰ যাৱতীয় পদক্ষেপ ল'বলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনা বৈঠকত কৃষি মন্ত্ৰী অতুল বৰা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, বিত্ত মন্ত্ৰী অজন্তা নেওগ, বিধায়কসকল ক্ৰমে মৃণাল শইকীয়া, বিশ্বজিৎ ফুকন, ভবেন ভৰালী, জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষক তথা বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই গোলাঘাটৰ সতী সাধনী কলাক্ষেত্ৰত বীৰাঙ্গনা সতী সাধনীৰ এটা পূৰ্ণাৱয়ব প্ৰতিমূৰ্তি উন্মোচন কৰে। উল্লেখ্য যে এই প্ৰতিমূৰ্তি বিশিষ্ট ভাস্কৰ্যশিল্পী ৰঞ্জিত বৰাই নিৰ্মাণ কৰি উলিয়াইছে।

গোলাঘাট ভ্ৰমণৰ সময়তে মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি গোলাঘাটৰ প্ৰস্তাৱিত চিকিৎসা মহাবিদ্যালয় আৰু বীৰাঙ্গনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ বাবে চিনাক্ত কৰা তিনিখন স্থানৰ ভূমিও পৰিদৰ্শন কৰে।

**সুঃদঃ / বঃভাঃ**
**১৮/০৮/২০২১**